# সুৰমাৰ গঙাচিলনী

ড° ভূপেন শইকীয়া

## তিনি

ৰাতিপুৱাৰে পৰা এজাক কিনকিনীয়া বৰষুণ দিয়েই আছিল। এনেকুৱা বতৰত কাৰাগাৰৰ জীৱন বৰ বিৰক্তিকৰ। হেমাংগ কুঠৰিৰ ভিতৰত মজিয়াত এনেয়ে পৰি আছিল। মনত অনেক বিশৃংখল ভাব। নিৰ্জন কুঠৰিৰ নিৰল মুহূৰ্তত গাঁৱৰ আপোন ঘৰখনৰ স্মৃতিয়ে হেমাংগক আমনি কৰিলে। আপোন ঘৰখনৰ মানুহখিনিও আপোন নে? আপোন বুলি ভবা হ'লে নিশ্চয় বিচাৰি আহিলহেঁতেন! আগৰবাৰ চিলেট কাৰাগাৰত থাকোঁতেও ঘৰৰ মানুহ বুলি কোনো অহা নাছিল। আহিছিল সহযোদ্ধাসকল; নেতা-কৰ্মীসকল। ঘৰৰ নাতিদূৰৰ কাৰাগাৰলৈকে যেতিয়া বিচাৰি নাহিল এতিয়া নগাঁও কাৰাগাৰলৈ বিচাৰি আহিবনে?

সামন্তীয় গাম্ভীৰ্য আৰু আভিজাত্যৰ প্ৰতিভূ দেউতাক নিজৰ নীতি-নিয়মত অচল-অটল। আন্দোলন সমৰ্থন কৰাতো দূৰৰে কথা, গাঁৱৰ অন্যান্য সাধাৰণ মানুহৰ ল'ৰা-ছোৱালীৰ সৈতে মিলা-মিছা কৰাখিনিকে পছন্দ নকৰে। ককায়েক হিৰণ্ময় আৰু সুকুমাৰ দেউতাকৰ পদানত। ভাতৃ কালু আৰু হিমেন্দু নিৰৱ সাক্ষী। আৰু মাতৃ সৰোজিনী? প্ৰভাৱশালী স্বামীক প্ৰভাৱান্বিত কৰিব পৰাকৈ শক্তি আহৰণ কৰা নাই। হেমাংগৰ বাবে মাতৃ হৃদয়ে হয়তো হাহাকাৰ কৰিছে, কিন্তু সেই হাহাকাৰে হৰকুমাৰ বিশ্বাসৰ কৰ্ণকুহৰত কোনো কম্পনৰ সৃষ্টি কৰিব নোৱাৰে। তাৰ বাবে হেমাংগৰ কোনো খেদ নাই। হেমাংগৰ অকলশৰে যুঁজি যোৱাৰ মানসিক শক্তিৰ অভাৱ হোৱা নাই আৰু ভৱিষ্যতেও নহ'ব।

কেইদিনমানৰ পৰা হেমাংগৰ শৰীৰটোহে বৰ ভাল নহয়। কাহ এটাই আমনি কৰি আছে। হয়তো মজিয়াত শোৱাৰ বাবে ঠাণ্ডা পাইছে। এনেকুৱা বৰষুণৰ বতৰত কাহটো আকৌ বেছি সক্ৰিয় হৈ উঠে।

আপদীয়া কাহটোৰ লগত যুঁজি থাকোঁতেই ৱাৰ্ডাৰ এজনে আহি ক'লে—

"কাৰ্যালয়লৈ মাতিছে।"

"কোনে? —হেমাংগই আচৰিত হৈ সুধিলে।

"সহকাৰী জেইলাৰে।" —ৱাৰ্ডাৰে নিস্পৃহভাৱে উত্তৰ দিলে।

মজিয়াৰ পৰা উঠি হেমাংগ লগে লগে কাৰ্যালয়লৈ আহি সহকাৰী জেইলাৰক লগ ধৰিলে। দেখাত হটঙা মানুহজনে হুঁটা মাতটোৰে সুধিলে—"কি নাম?"



"হেমাংগ বিশ্বাস।"

"গুৱাহাটীৰ কেন্দ্ৰীয় কাৰাগাৰলৈ পঠোৱাৰ হুকুম হৈছে। এতিয়াই স্বাস্থ্য পৰীক্ষা কৰি যাবলৈ সাজু হ'ব লাগিব।"

"কিয়?" —হেমাংগই কাৰণটো জানিব খুজিলে।

"নাজানো। হয়তো প্ৰশাসনিক কাৰণত।"

"কিন্তু মোৰ শৰীৰ ভাল নহয়।"

"সেয়া ডাক্তৰে ক'ব। ফিটনেছ ছাৰ্টিফিকেট দিব নহয়।"

সহকাৰী জেইলাৰে কাৰ্যালয়ৰ কৰ্মচাৰী এজনক কাগজ এখন দি ডাক্তৰৰ ওচৰলৈ পঠাই পুনৰ কামত ব্যস্ত হৈ পৰিল। কথা কোৱাৰ